পাঠ ৭

গু ষ্ট স্ফ ন্ত স্ত

# ভালুকে খেলিলে ফুটবল



শীতকালৰ দোক-মোকালি। চাৰিওফালে কুঁৱলীয়েই কুঁৱলী। শান্ত পৰিৱেশ। এখন বাগিচাৰ জামুগছ এজোপাৰ তলত বাঘৰ পোৱালি এটা শুই আছিল। ঠাণ্ডাতে সি কুঁচি-মুচি বল এটাৰ দৰে হৈ আছিল।

এনে সময়তে ভালুক এটা সেই ঠাইত উপস্থিত হ'ল। আজি ভালুক ককাইৰ গাটো বৰ ভাল নহয়। হঠাৎ বাঘৰ পোৱালিটোৰ ওপৰত তাৰ দৃষ্টি পৰিল - 'অ', ইয়াত দেখোন ঘূৰণীয়া কিবা এটা পৰি আছে।'





তাৰপিছত সি স্ফূৰ্তিত চিঞৰি উঠিল- 'এইটো দেখোন ফুটবল। ভালেই হ'ল, দুবাৰমান খেলি শৰীৰটো অলপ গৰম কৰি লওঁ।'

ভবা মতেই কাম। ভালুকে বাঘৰ পোৱালিটোক দূৰলৈ ভৰিৰে সজোৰে মাৰি পঠিয়ালে। পোৱালিটোৱে আৰ্তনাদ কৰি জামু গছৰ ঠানি এটাত খামুচি ধৰিলেগৈ।



লগে লগে ঠানিটো ভাগি পৰিল। ভালুকে নিজৰ ভুল বুজিব পাৰিলে। সি তৎক্ষণাত পোৱালিটো দুহাতেৰে মাটিত নপৰাকৈ ধৰিলে। সি এবাৰ মৰমতে পোৱালিটোক লৈ হাতালি খেলিলে।



বাঘৰ পোৱালিটোৱে এনেদৰে খেলি বৰ মজা পালে। সি পুনৰ তেনে কৰিবলৈ ভালুকক অনুৰোধ কৰিলে।

তাৰ অনুৰোধ ৰক্ষা কৰি ভালুকটোৱে কেইবাবাৰো হাতালি খেলিলে। বাৰে বাৰে হাতালি খেলি ভাগৰত ভালুক ককাইৰ অৱস্থা কাহিল হ'ল।

'আস্! কি পয়মালত পৰিলোঁ। আজি বাঘৰ পোৱালিৰ পৰা হাত সাৰিব নোৱাৰিমেই নেকি'—এইবুলি এবাৰ বৰ জোৰেৰে বাঘৰ পোৱালিটোক ওপৰলৈ দলিয়াই দি ভালুকে ভিৰাই লৰ মাৰিলে।



সাধুটো নিজৰ কথাৰে ক্ৰমত সজাই কোৱা।

সাধুটো পঢ়া আৰু তলৰ প্ৰশ্নকেইটাৰ উত্তৰ কোৱা।

(ক) ভালুকে প্ৰথমে বাঘৰ পোৱালিটোক কি বুলি ভাবিছিল?

(খ) ভালুকটোৱে বাঘৰ পোৱালিটোক কি কৰিলে?

(গ) বাঘৰ পোৱালিটোৱে ভালুকক কি কৰিবলৈ অনুৰোধ কৰিছিল?

(ঘ) বাঘৰ পোৱালিটোৱে তাক বাৰে বাৰে ওপৰলৈ দলিয়াবলৈ কিয় অনুৰোধ কৰিছিল?

(ঙ) বাঘৰ পোৱালিটো ওপৰলৈ দলিয়াই দি ভালুকে কিয় লৰ মাৰিব লগা হ'ল?

যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

ঠাণ্ডা ণ্ড = ণ + ড ণই ডই ণ্ড

| | | | | | |
|---|---|---|---|---|---|
| ণ্ড | ণ + ড | ণই | ডই | ণ্ড | — ঠাণ্ডা, পণ্ডিত |
| ষ্ট | ষ + ট | ষই | টই | ষ্ট | — দুষ্ট, পুষ্ট |
| স্ফ | স + ফ | সই | ফই | স্ফ | — স্ফটিক, স্ফূৰ্তি |

যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | | | |
|---|---|---|---|
| ণ + ড | ণই | ডই | ণ্ড |
| ষ + ট | ষই | টই | ষ্ট |
| স + ফ | সই | ফই | স্ফ |

☞ *পঢ়োৱাৰ আগতে পাঠটো সাধু আকাৰে শিকাৰুক ক'ব।*

## যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

কিন্তু ন্তু = ন + ত নই তই ন্ত, তাত উকাৰে ন্তু

ন্তু ন + ত নই তই ন্ত, তাত উকাৰে ন্তু = ন্তু

স্তু স + ত সই তই স্ত, তাত উকাৰে স্তু = স্তু

কিন্তু = কিন্তু, জন্তু = জন্তু, সন্তুষ্ট = সন্তুষ্ট

বস্তু = বস্তু, কস্তুৰী = কস্তুৰী, মাস্তুল = মাস্তুল

## যুক্তাক্ষৰ গঠন কৰোঁ আহা

ন + ত নই তই ন্ত, তাত উকাৰে ন্তু = ন্তু

স + ত সই তই স্ত, তাত উকাৰে স্তু = স্তু


## পঢ়োঁ আৰু লিখোঁ আহা

| | | | |
|---|---|---|---|
| কাণ্ড | কুণ্ড | ঠাণ্ডা | প্ৰকাণ্ড |
| কষ্ট | নষ্ট | দুষ্ট | পুষ্টিকৰ |
| স্ফটিক | স্ফূৰ্তি | স্ফোটক | স্ফুলিংগ |
| ভেণ্ডি | জণ্ডিছ | পণ্ডিত | কুণ্ডিল |
| জন্তু | তন্তু | স্তুতি | মাস্তুল |



☞ ন্তু আৰু স্তু আদিৰ লগত ু (উ)- কাৰ যোগ হ'লে উ - কাৰৰ ৰূপ যে সলনি হয় শিকাৰুক বুজাই দিব।

☞ ৰূপ সলনি নকৰাকৈ বস্তু, সন্তুষ্ট, মাস্তুল, জন্তু, কস্তুৰী— এনেদৰে লিখিলেও যে শুদ্ধ হয় শিকাৰুক ক'ব।



বাক্য পঢ়োঁ আহা

গৰু পোহনীয়া জন্তু। বস্তাত বস্তু আছে।

তন্তু মানে সূতা। প্ৰস্তুত মানে সাজু হোৱা।

চন্তুৰ এবিধ বাদ্য যন্ত্ৰ। মাস্তুল জাহাজৰ পালতৰা খুঁটা।

যুক্তাক্ষৰ ভাঙা আৰু শব্দ লিখা।

ণ্ড ..............................

ষ্ট ..............................

স্ফ ..............................

ন্ত ..............................

স্তু ..............................

বাক্যকেইটা সাধুটোৰ দৰে ক্ৰমত সজাই লিখা।

বাঘৰ পোৱালিটো ওপৰলৈ দলিয়াই দি ভালুকে ভিৰাই লৰ মাৰিলে।

ঠাণ্ডাতে সি কুঁচি-মুচি বল এটাৰ দৰে হৈ আছিল।


ভালুকে বাঘৰ পোৱালিটোক দূৰলৈ ভৰিৰে সজোৰে মাৰি পঠিয়ালে।

ভালুক ককাইৰহে ভাগৰত অৱস্থা কাহিল হৈ পৰিল।

জামু গছৰ তলত বাঘৰ পোৱালি এটা শুই আছিল।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

যুক্তাক্ষৰযুক্ত শব্দ বৃত্তবোৰৰ ভিতৰত লিখা।




নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

## কাক কি কয় জানো আহা



গছৰ সৰু ডালক ঠানি বা ঠালি বোলে।
খাবলৈ অনা কলৰ পুলিক পচলা বোলে।
কঁঠালৰ কলিক মুচি বোলে।
নিচেই সৰু ঘৰক পঁজা বোলে।
ভেকুলীৰ পোৱালিক লালুকী বোলে।



## ভাবা আৰু কোৰা।

বল এটাৰে আমি কি কি খেল খেলিব পাৰোঁ?

## বৰ্ণজালৰ পৰা শব্দ গঠন কৰা

| | | | | | |
|---|---|---|---|---|---|
| ঠা | নি | ণ্ডা | ল | প | স্ফ |
| ক | ণ্ডি | ষ্ট | ত | ণ্ড | ষ্ট |
| দু | ক | প্র | টি | ণ্ডি | ন |
| ভে | কু | ল | কু | ণ্ড | ণ্ডি |

উদাহৰণ- ঠাণ্ডা

## পঢ়োঁ আহা

**আনন্দৰাম বৰুৱা এজন বিখ্যাত পণ্ডিত।**
**তেওঁ লণ্ডনলৈ গৈছিল।**
**তাত তেওঁ পঢ়াশুনা কৰিছিল।**
**লণ্ডনৰ জলবায়ু ঠাণ্ডা।**

নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী